# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি তেলেংগানাৰ মহবুবনগৰত ১৩ হাজাৰ ৫০০ কোটিৰো অধিক টকা মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশত ১ তাৰিখ ১ ঘণ্টা একেলগে শীৰ্ষক ব্যাপক চাফাই অভিযান চলোৱা হ'ব।

৩। অসম আৰু মেঘালয়ে মুক্ৰত সংঘটিত গুলীয়াগুলিৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ন্যায়িক আয়োগ ভংগ কৰাৰ আৰু এই গুলিয়াগুলিৰ তদন্তভাৰ চি বি আইক অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। মহম্মদ মুইজ্জু মালদ্বীপৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছে।

*আৰু*

৫। ভাৰতে চীনৰ হাংচ'অ'ত চলি থকা এছিয়ান গেমছৰ কালি সপ্তম দিনা দুটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জনেৰে পদক সংখ্যা ৩৮ লৈ বৃদ্ধি কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি তেলেংগানাৰ মহবুবনগৰলৈ যাব। তাত তেওঁ ১৩ হাজাৰ ৫০০ কোটিৰো অধিক টকা মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ভ্ৰমণকালত শ্ৰীমোদীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ পথ আৰু ৰে'ল আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য, শক্তি আৰু বিদ্যুৎ যোগানৰ সৈতে জড়িত। প্ৰধানমন্ত্ৰী বিয়লিৰ ভাগলৈ হায়দৰাবাদ হৈ মহবুব নগৰত উপস্থিত হ'ব। ইয়াৰ পাছতে তেওঁ ৫০৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা মুনিৰাবাদ মহবুব নগৰ খণ্ডৰ জাকলেৰ-কৃষ্ণা সংযোগী নতুন ৰে'লপথ ছোৱা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। ইয়াৰ ফলত হায়দৰাবাদ আৰু গোৱাৰ মাজত দূৰত্ব ১০২ কিলোমিটাৰলৈ হ্ৰাস হ'ব। তেওঁ লগতে কাচিগুড়া -ৰাইচূড়-কাচিগুড়াৰ ডেমু ৰে'লসেৱা আৰু দুহেজাৰ ৪৫৭ কোটি টকাৰে নিৰ্মাণ কৰি উলিওৱা সূৰ্যপেট-খম্মমৰ মাজৰ চাৰিটা লেনযুক্ত ঘাইপথ মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে ছহেজাৰ ৪০০ কোটি টকা ব্যয় সাপেক্ষ আন ভালেমান পথ প্ৰকল্পৰ আধাৰ শিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কৃষ্ণা ষ্টেছনৰ পৰা হায়দৰাবাদ -ৰাইসুৰ-হায়দৰাবাদ ৰেল সেৱাৰো শুভাৰম্ভ কৰিব। তেওঁ হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ ৫ টা নতুন ভৱনো উদ্বোধন কৰিব। এই ভ্ৰমণৰ এদিন পাছতে অৰ্থাৎ মঙলবাৰে প্ৰধানমন্ত্ৰী মোদী নিজামাবাদলৈ যাব। তাত তেওঁ ৮ হাজাৰ ২১ কোটি টকা মূল্যৰ আন কেইটামান প্ৰকল্প ৰাষ্ট্ৰৰ নামৰ উৎসৰ্গা কৰিব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশত **১ তাৰিখ ১ ঘণ্টা একেলগে** শীৰ্ষক ব্যাপক চাফাই অভিযান চলোৱা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ অক্টোবৰৰ গান্ধী জয়ন্তীৰ প্ৰাক্‌ক্ষণত জাতিৰ পিতা মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ উদ্দেশ্যে আজি দিনৰ ১০ বজাত এঘণ্টাৰ বাবে চাফাই অভিযানত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীয়ে আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ শেহতীয়া খণ্ডত স্বচ্ছতা হি সেৱা অভিযানৰ গুৰুত্ব আলোকপাত কৰি আজিৰ দিনটো স্বচ্ছতা অভিযানৰ বাবে সময় উলিয়াবলৈ আহ্বান জনাইছিল।

প্ৰধানমন্ত্ৰীৰ **১ তাৰিখ ১ ঘণ্টা একেলগে** এই আহ্বান পৰিষ্কাৰ পৰিচ্ছন্ন ভাৰতৰ বাবে বিশ্বৰ সৰ্ববৃহৎ স্বেচ্ছামূলক প্ৰয়াস ৰূপে পৰিগণিত হ'ব পাৰে। এই অভিযানৰ অধীনত দেশৰ নগৰ আৰু গ্ৰামাঞ্চলত ৬ লাখ ৪০ হাজাৰৰো অধিক ঠাই শ্ৰমদানৰ বাবে বাছনি কৰা হৈছে। সমাজৰ সকলো শ্ৰেণীৰ লোকে বজাৰ, ৰে'লপথ, জলাশয়, পৰ্যটনথলী, উপসনাস্থলীৰ লেখীয়া ৰাজহুৱা স্থানসমূহত চাফাই অভিযানত অংশগ্ৰহণ কৰিব। জনসাধাৰণে চাফাই অভিযানৰ স্থানত নিজৰ ফটো তুলি স্বচ্ছতা হি সেৱা ডট কম পৰ্টেলত আপলোড কৰিব পাৰিব।

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজিৰ চাফাই অভিযানৰ লগত সংগতি ৰাখি ৭ লাখৰো অধিক অনুষ্ঠান আয়োজন কৰাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰীৰ ব্যাপক চাফাই অভিযানৰ আহ্বানৰ প্ৰতি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে বিপুল সঁহাৰি জনাইছে। স্বচ্ছ ভাৰত অভিযানৰ সাফল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰীপুৰীয়ে কয় যে, ৪ হাজাৰ ৮০০ ৰো অধিক নগৰীয়া স্থানীয় নিকায় ১০০ শতাংশ মুকলিত মলত্যাগ অভ্যাসমুক্ত অঞ্চলৰূপে পৰিগণিত হৈছে।

00000

কেন্দ্ৰীয় স্বাস্থ্য সচিব সুধাংশ পন্তে হৃদ ৰোগত আক্ৰান্ত ব্যক্তিসকলক জীৱনশৈলী পৰিৱৰ্তন কৰাৰ বাবে উৎসাহ যোগাবলৈ চিকিৎসকসকলৰ প্ৰতি আহ্বান জনাইছে। চিকিৎসা বিষয়াসকলৰ এখন ৱেবিনাৰক সম্বোধন কৰি শ্ৰীপন্তে কালি স্বাস্থ্য বিষয়ক নীতি পৰিৱৰ্তনত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, স্বাস্থ্য নীতিত চিকিৎসাৰ পৰিৱৰ্তে ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাত অধিক গুৰুত্ব দিব লাগে। ভাৰতত সুস্থ হৃদপিণ্ডৰ বাবে জনসাধাৰণৰ আন্দোলন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে আয়োজিত এই ৱেবিনাৰত চিকিৎসক আৰু হৃদৰোগ বিজ্ঞানৰ বিশেষজ্ঞৰ লগতে ছহেজাৰৰো অধিক চিকিৎসা বিষয়াই অংশগ্ৰহণ কৰে।

00000

অসম আৰু মেঘালয়ে মুক্ৰত সংঘটিত গুলীয়াগুলিৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ন্যায়িক আয়োগ ভংগ কৰাৰ আৰু এই গুলিয়াগুলিৰ তদন্তভাৰ চি বি আইক অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চিবিআইয়ে তদন্তৰ নিৰপেক্ষতাৰ খাতিৰত গুৱাহাটী আৰু শ্বিলঙৰ বাহিৰৰ অন্য কোনো নিৰপেক্ষ স্থানত গোচৰ ৰুজু কৰিব। দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ উপস্থিতিত কালি গুৱাহাটীত অনুষ্ঠিত মুখ্যমন্ত্ৰী পৰ্যায়ৰ সীমান্ত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে অক্টোবৰ মাহৰ শেষ ভাগলৈ পৰিস্থিতিৰ বুজ লোৱা উদ্দেশ্যে খান্দুলি চকী পৰিদৰ্শন কৰিব।

দুয়োখন ৰাজ্যই লগতে অসমৰ কাৰ্বি আংলং জিলা আৰু মেঘালয়ৰ পশ্চিম জয়ন্তীয়া জিলাৰ অসম-মেঘালয় সীমান্তত অৱস্থিত খান্দুলি এলেকাৰ পৰা নিজ নিজ আৰক্ষী বাহিনীক প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰে পৰা এলেকাটোত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ লোক নিয়োজিত কৰা হ'ব। বৈঠকত লগতে দুয়োখন ৰাজ্যৰ মাজত বিবদমান বাকী ছটা অঞ্চলৰ সমস্যা অহা ৩১ ডিচেম্বৰৰ ভিতৰত নিষ্পত্তি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

ooooo

মহম্মদ মুইজ্জু মালদ্বীপৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছে। যোৱানিশা অনুষ্ঠিত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণত মুইজ্জুয়ে বৰ্তমানৰ ৰাষ্ট্ৰপতি মহম্মদ চোলেহক পৰাস্ত কৰে।

নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি প্ৰায়ভাগ ভোটগণনাৰ পাছত PPM-PNC ৰ বিৰোধী ভোটৰ শ্ৰীমুইজ্জুৱে ৫৪ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে MDPৰ বৰ্তমানৰ ৰাষ্ট্ৰপতি ইব্ৰাহীম ছোলেহে ৪৬ শতাংশ ভোট লাভ কৰে।

ooooo

আমেৰিকাৰ নিম্নসদন প্ৰতিনিধি সভাই চৰকাৰী শ্বাটডাউন এৰাই চলাৰ বাবে অস্থায়ী পুঁজি যোগান বিধেয়কত গৃহীত কৰিছে। স্তপগেপ প্ৰস্তাৱক প্ৰতিনিধি সভাই ৩৩৫টা ভোটৰ সহায়ত গ্ৰহণ কৰে। অধ্যক্ষ কেভিন মেক্কাৰ্থীয়ে মাজনিশাৰ শ্বাটডাউনৰ সময়সীমা সমাপ্ত হোৱাৰ কেইঘণ্টামান পূৰ্বে প্ৰস্তাৱ কৰা বিধেয়কখন ৩৩৫টা ভোটৰ সহায়ত গৃহীত কৰে। এই বিধেয়কত চৰকাৰী পুঁজিৰ যোগান ৪৫ দিনৰ বাবে অব্যাহত ৰখাৰ ব্যৱস্থা ৰখা হৈছে। অৱশ্যে এইক্ষেত্ৰত উচ্চসদন চিনেটৰ সমৰ্থনৰ প্ৰয়োজন আছে যদিও চিনেটত  বিধেয়কখন গৃহীত হ'ব বুলি আশা কৰা হৈছে।

সংবাদ প্ৰতিষ্ঠান চি এন এন এ এগৰাকী প্ৰশাসনিক বিষয়াৰ উদ্ধৃতিৰে কৈছে যে, হোৱাইট হাউছে পাছলৈ যাতে ইউক্ৰেনলৈ সহায় আগবঢ়াব পৰা যায় সেই উদ্দেশ্যে এই বিধয়েখনত সমৰ্থন জনাইছে। উল্লেখযোগ্য যে, শ্বাটডাউনৰ ফলত হাজাৰ হাজাৰ চৰকাৰী কৰ্মচাৰীক বেতন বিহীন ছুটী দিয়া হ'ব আৰু বহু চৰকাৰী কাম কাজ বন্ধ কৰা হ'ব। ভাৰতীয় সময় অনুসৰি আজি পুৱা ৯ বাজি ৩১ মিনিটৰ পৰা এই প্ৰক্ৰিয়া আৰম্ভ হ'ব। উল্লেখযোগ্য যে, কংগ্ৰেছৰ দুয়োখন সদনে যেতিয়া চৰকাৰী খৰচৰ প্ৰায় ৩০ শতাংশৰ ক্ষেত্ৰত সহমত প্ৰদান কৰিব নোৱাৰে তেতিয়া শ্বাটডাউনৰ পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰত্যেক বিত্তীয় বৰ্ষৰ আৰম্ভণিতে পহিলা অক্টোবৰত এই ক্ষেত্ৰত মঞ্জুৰি প্ৰদান কৰা হয়।

ooooo

ভাৰতে চীনৰ হাংচ'অ'ত চলি থকা এছিয়ান গেমছৰ কালি সপ্তম দিনা দুটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জনেৰে পদক সংখ্যা ৩৮ লৈ বৃদ্ধি কৰিছে। কালি টেনিছৰ মিক্সড্ ডাবল্‌ছত ৰোহন বোপন্না আৰু ৰুতুজা ভোশ্বালেৰ যুটিটোৱে স্বৰ্ণপদক অৰ্জন কৰিছে। একেদৰে সৌৰভ ঘোষাল, অভয় সিং আৰু মহেশ মাংগাওকাৰে স্কোৱাছৰ দলীয় শাখাত পাকিস্তানক ২-১ ফলাফলত পৰাজিত কৰি সোণৰ পদক হস্তগত কৰে। আনহাতে শ্বুটাৰ সৰবজোত সিং আৰু দিব্যা থাদিগ'লে ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড শাখাৰ ফাইনেলত ৰূপৰ পদক লাভ কৰে। ইয়াৰ বিপৰীতে কাৰ্তিক কুমাৰ আৰু গুলবীৰ সিঙে পুৰুষৰ ১০ হাজাৰ মিটাৰ দৌৰত ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে, এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত লাভলীনা বৰগোহাঁয়ে পদক নিশ্চিত

কৰিছে। খেলুৱৈগৰাকীয়ে দক্ষিণ কোৰিয়াৰ খেলুৱৈক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী তাৰকা বক্সাৰগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত ছুয়েঅ'ন ছিয়ঙক ৫-০ ফলাফলত পৰাস্ত কৰে। ইপিনে, ভাৰতৰ অয়হিকা মুখাৰ্জী আৰু সুতীৰ্থা মুখাৰ্জীয়ে বৰ্তমানৰ বিশ্ব চেম্পিয়ন চীনৰ প্ৰতিদ্বন্দিক ৩-১ ফলাফলত পৰাস্ত কৰি মহিলাৰ টেবল টেনিছৰ ডাবলছৰ ফাইনেলত স্থান নিশ্চিত কৰে। এই জয়ৰ সুবাদত ভাৰতে এছিয়ান গেমছৰ টেবল টেনিছত প্ৰথমটো পদক পোৱাটো নিশ্চিত হৈছে।

প্ৰতিযোগিতাত আজি ভাৰতীয় পুৰুষ আৰু মহিলা বেডমিণ্টন দলে নিজ শাখাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। একেদৰে পৰবীন হুদা, জেছমিন লেম্বোৰিয়া, অৰুন্ধতি চৌধৰী, শিৱ থাপা, লক্ষ্য চাহৰ আৰু সঞ্জিত বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেল আৰু ছেমি ফাইনেল পৰ্যায়ৰ প্ৰতিদ্বন্দ্বিতাত নামিব। তজিন্দৰ পাল সিং টুৰ, চাহিব সিং, শ্ৰীশংকৰ জেচৰিন এলড্ৰিন, অৱিনাশ চাৱলে, ছিমা পুনিয়া, হৰমিলন বেঞ্চ, কুমাৰী দীক্ষা, অজয় সৰোজ, জিনচন জনচন আৰু জ্যোতি ইয়াৰাজি পদকৰ যুঁজত অৱতীৰ্ণ হ'ব।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত বৰ্তমানলৈকে ১০টা সোণ, ১৪টা ৰূপ আৰু ১৪টা ব্ৰঞ্জসহ সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাৰ **চতুৰ্থ স্থানত আছে**।

০০০০০

**সমাপ্ত**